**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 02-01-2026

**Time :** 1800 Hrs.

***Assamese Midday Bulletin***

**HEADLINE**

১। ৰাজ্যৰ স্বীকৃতিপ্ৰাপ্ত সত্ৰৰ ৬২০ গৰাকী উদাসীন ভকতলৈ বিত্তীয় সাহায্য প্ৰদান আঁচনিৰ আজি শুভাৰম্ভ।

২। চৰাইদেউ জিলাৰ দিচাংপানীত আজিৰে পৰা **ষষ্ঠ বাৰ্ষিক সোণাৰু কাঞ্চন কৃষ্ণচূড়া মহোৎসৱ।**

৩। হোজাই জিলাৰ ডবকাৰ যমুনা-মৌদংগা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ছহেজাৰ বিঘা ভূমিত প্ৰশাসনৰ উচ্ছেদ অভিযান। ***আৰু***

৪। জুবিন গাৰ্গৰ খাৰঘুলিৰ বাসগৃহতে প্ৰয়াত শিল্পীগৰাকীৰ নামত এটা ন্যাস গঠন কৰা হ'ব বুলি এখন সংবাদমেল যোগে পত্নী গৰিমা গাৰ্গে প্ৰকাশ।

০০০০০

০০০০০

ৰাজ্যৰ স্বীকৃতিপ্ৰাপ্ত সত্ৰৰ ৬২০ গৰাকী উদাসীন ভকতলৈ বিত্তীয় সাহায্য প্ৰদান আঁচনিৰ আজি শুভাৰম্ভ কৰা হয়। এই আঁচনিৰ অধীনত তেওঁলোকক মাহিলী এহেজাৰ ৫০০ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰা হ'ব। দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত অনুষ্ঠানত আঁচনি মুকলি কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, যে ৰাজ্যৰ সত্ৰৰ ভকতসকলৰ আধ্যাত্মিক, সাংস্কৃতিক আৰু সামাজিক অৱদানৰ স্বীকৃতিস্বৰূপে এই আঁচনিখন প্ৰৱৰ্তন কৰা হৈছে।

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে সত্ৰৰ ভূমি সংৰক্ষণৰ বাবে সত্ৰ আয়োগ গঠনৰ পৰা আৰম্ভ কৰি ভকতলৈ আৰ্থিক সাহায্য প্ৰদানৰ জৰিয়তে সত্ৰ সংস্কৃতিক সুৰক্ষাৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ লৈছে। বিগত বিধানসভাতে চৰকাৰে সত্ৰ আয়োগ গঠনৰ সিদ্ধান্ত লৈছে। সত্ৰ আয়োগৰ হাতত বিত্তীয় ক্ষমতা তথা প্ৰয়োজনত সত্ৰলৈ আৰ্থিক অনুদান আগবঢ়োৱাৰ ক্ষমতা থাকিব। সত্ৰ আয়োগে ৰাজহ আদালতৰ দৰে কাম কৰি যাব। সত্ৰৰ মাটি দখল হ'লে আয়োগক অভিযোগ দিব পাৰিব আৰু সত্ৰ আয়োগে বেদখল মাটিৰ উচ্ছেদৰ অনুমতি দিব। লগতে মুখ্যমন্ত্ৰীগৰাকীয়ে গুৰুজনা প্ৰদত্ত এই সংস্কৃতি ৰক্ষাৰ বাবে নিজৰ জীৱন সমৰ্পণ কৰা ভকতসকলে আধ্যাত্মিক, সাংস্কৃতিক আৰু সামাজিক প্ৰতিটো ক্ষেত্ৰতে অৰিহণা যোগাইছে বুলি উল্লেখ কৰে। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকে।

০০০০০

চৰাইদেউ জিলাৰ দিচাংপানীত আজিৰে পৰা **ষষ্ঠ বাৰ্ষিক সোণাৰু কাঞ্চন কৃষ্ণচূড়া মহোৎসৱ** অনুষ্ঠিত হৈছে। প্ৰকৃতি সংৰক্ষণ আৰু সজাগতাৰ বাৰ্তা লৈ ৩ দিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে অনুষ্ঠিত এই মহোৎসৱত গ্ৰন্থমেলা, থলুৱা বস্ত্ৰমেলা, জনগোষ্ঠীয় খাদ্য মেলাৰো আয়োজন কৰা হৈছে। প্ৰকৃতিপ্ৰেমী যুৱক অনুপ পাটকাইৰ নেতৃত্বত শিল্পী, সাংবাদিক তথা সচেতন নাগৰিকৰ প্ৰচেষ্টাত চৰাইদেউ জিলাত ২০১৯ চনৰে পৰা সোণাৰু, কাঞ্চন, কৃষ্ণচূড়াৰ গছপুলি ৰোপণ আৰু প্ৰতিপালন কৰি থকা হৈছে। জিলাখনৰ বিভিন্ন ঠাইত প্ৰকৃতিৰ প্ৰতি সজাগতা সৃষ্টি আৰু পৰ্য্যটকক আকৰ্ষণ কৰিবলৈ প্ৰতিবছৰে এই সময়ছোৱাত সোণাৰু, কাঞ্চন, কৃষ্ণচূড়া মহোৎসৱ অনুষ্ঠিত কৰি অহা হৈছে। এই সন্দৰ্ভত মহোৎসৱৰ এগৰাকী আয়োজকে এইদৰে প্ৰকাশ কৰে -

-বাইট-

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৭ জানুৱাৰীত দুদিনীয়া সূচীৰে অসম ভ্ৰমণ কৰিব। ৰাজ্য চৰকাৰৰ উদ্যোগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত ১৭ জানুৱাৰীৰ দিনা সৰুসজাই ষ্টেডিয়ামত বাগৰুম্বা নৃত্যৰে বিশ্ব অভিলেখ গঢ়াৰ প্ৰস্তুতি চলোৱা হৈছে। আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই সৰুসজাই ষ্টেডিয়াম পৰিদৰ্শন কৰি প্ৰধানমন্ত্ৰী উপস্থিত থাকিবলগীয়া অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই জনোৱা অনুসৰি সেইদিনা বাগৰুম্বাৰ নৃত্যত ২৩ খন জিলাৰ ১০ হাজাৰৰো অধিক শিল্পীয়ে অংশগ্ৰহণ কৰিব। বাগৰুম্বা নৃত্যত ভাগ লবলগীয়া শিল্পীসকলক প্ৰশিক্ষণ দিবৰ বাবে ৪, ৫ আৰু ৬ জানুৱাৰীত প্ৰশিক্ষকসকলৰ প্ৰশিক্ষণ হ'ব। প্ৰশিক্ষিত প্ৰশিক্ষকসকলে ৮ ৰ পৰা ১০ জানুৱাৰীলৈ বিভিন্ন জিলাত শিল্পীসকলক পৃথকে পৃথকে প্ৰশিক্ষণ দিব। স্থানীয় প্ৰশিক্ষণৰ অন্তত এঘাৰ জানুৱাৰীত শিল্পীসকলত গুৱাহাটীলৈ অনা হ'ব। এইসকল শিল্পীয়ে ১২ৰ পৰা ১৫ জানুৱাৰীলৈ একেলগে সৰুসজাই ষ্টেডিয়ামত বিশ্ব অভিলেখৰ বাবে আখৰা কৰিব। ১৬ জানুৱাৰীত বিৰতি লৈ ১৭ জানুৱাৰীত প্ৰধানমন্ত্ৰীৰ উপস্থিতিত একেলগে বাগৰুম্বা নৃত্য প্ৰদৰ্শন কৰিব।

এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে ভাগ লোৱাৰ লগতে ১৮ জানুৱাৰীত কলিয়াবৰৰ মৌচন্দা পথাৰত এখন জনসভা সম্বোধন কৰিব। এই সভাৰ পৰাই প্ৰধানমন্ত্ৰী মোদীয়ে ৭ হাজাৰ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া কাজিৰঙাৰ এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীৰ আগমনৰ প্ৰস্তুতি সন্দৰ্ভত কলিয়াবৰৰ কুৰুৱাতোলত থকা অসম গণ পৰিষদৰ কাৰ্যালয়ত অগপ আৰু বিজেপি নেতা কৰ্মীসকলৰ এখন যুটীয়া বৈঠক অনুষ্ঠিত হয়। বৈঠকত কেবিনেট মন্ত্ৰী পিযুষ হাজৰিকা, অতুল বৰা, কেশৱ মহন্ত, বিধায়ক কৃষ্ণকমল তাতি, শিবু মুশ্ৰ, ৰূপক শৰ্মা, শশীকান্ত দাস আৰু দিপলু ৰঞ্জন শৰ্মাৰ লগতে কলিয়াবৰৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই অংশগ্ৰহণ কৰে।

০০০০০

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই মহিলা সৱলীকৰণৰ উল্লেখনীয় পদক্ষেপ হিচাপে আজি শোণিতপুৰ জিলাৰ বৰচলা বিধানসভা সমষ্টিৰ ৩০ হাজাৰ ৬৫৫ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীগৰাকীয়ে ৩৫২ কোটি টকা ব্যয়সাপেক্ষ জিলাখনৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। তেওঁ ১১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা সৰকাহাট মিনি ষ্টেডিয়াম উদ্বোধন কৰাৰ লগতে তেজপুৰ চিকিৎসা মহাবিদ্যালয় চৌহদত ছুপাৰ স্পেচিয়েলিটি হাস্পতাল আৰু শোণিতপুৰৰ নিজ-বিহগুৰিত কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে বৰচলাৰ ঠেলামৰা ঘাটগাঁৱৰ ৰাজহুৱা খেলপথাৰত আয়োজিত অনুষ্ঠানত বৰচলাৰ বিধায়ক গণেশ কুমাৰ লিম্বু উপস্থিত থাকে।

ঠেলামৰাৰ পিছত মুখ্যমন্ত্ৰীগৰাকীয়ে চিপাঝাৰৰ মহলীয়াপাৰাত আন এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰে। সমষ্টিটোৰ ৪৫ হাজাৰ ৬৬৫ গৰাকী মহিলাক ১০ হাজাৰ টকাৰ চেক প্ৰদান কৰা হয়।

চিপাঝাৰৰ চেক বিতৰণৰ অন্তত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ১০ ফেব্ৰুৱাৰীৰ পূৰ্বে প্ৰতিটো সমষ্টিতে মহিলা উদ্যমিতা আঁচনিৰ ধন বিতৰণ সম্পূৰ্ণ হ'ব।

বাইট ঃ মুখ্যমন্ত্ৰী

০০০০০

হোজাই জিলাৰ ডবকাৰ যমুনা-মৌদংগা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ছহেজাৰ বিঘা ভূমিত প্ৰশাসনৰ উচ্ছেদ অভিযান চলায়। এই অভিযানৰ জৰিয়তে অঞ্চলটোত ৩০-৪০ বছৰ ধৰি অবৈধভাৱে বাস কৰি থকা এহেজাৰ ২৫০ টা পৰিয়ালৰ ভিতৰত এহেজাৰ ৯৮টা পৰিয়ালক উচ্ছেদ কৰা হৈছে। বন বিভাগে বনাঞ্চলখনত জৰীপ চলাই কেইবাহাজাৰ বিঘা ভূমি অবৈধ দখলকাৰীৰ কবলত থকাৰ তথ্য লাভ কৰাৰ পাছত এহেজাৰ ২০০ৰো অধিক

দখলকাৰীলৈ জাননী প্ৰেৰণ কৰিছিল। ইয়াৰে ১৫০ টা পৰিয়ালে সকাহ বিচাৰি উচ্চ ন্যায়ালয়ৰ কাষ চপাত সাময়িকভাৱে এই পৰিয়ালকেইটাৰ ভূমি উচ্ছেদ স্থগিত ৰখা হৈছে। উচ্ছেদ অভিযানত ৫৩ খন বুলডজাৰ ব্যৱহাৰ কৰা হৈছে। উচ্ছেদথলীত যাতে কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰবাবে কেইবাশ আৰক্ষী আৰু চি আৰ পি এফৰ জোৱান মোতায়েন কৰা হয়। উচ্ছেদকালত জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ উপৰি কেইবাগৰাকী শীৰ্ষ বিষয়াই পৰিস্থিতি পৰ্যবেক্ষণ কৰে।

০০০০০

যোৰহাট পশ্চিম ৰাজহ চক্ৰৰ দুগৰাকী লাট মণ্ডলৰ বিৰুদ্ধে উঠা বিভিন্ন অভিযোগৰ ভিত্তিত জিলা আয়ুক্তৰ নিৰ্দেশমৰ্মে আজি চাকৰিৰ পৰা তেওঁলোকক নিলম্বন কৰা হয়। নিলম্বিত লাট মণ্ডল দুগৰাকী হৈছে - অনিমেষ শইকীয়া আৰু মুনীন বৰা। উল্লেখযোগ্য যে, মণ্ডল দুগৰাকীৰ বিৰুদ্ধে চৰকাৰী ভূমি আৱণ্টনত অনিয়ম, কৰ্তব্যত গাফিলতি, নিয়ম বহিৰ্ভূতভাৱে কাম কৰাৰ দীৰ্ঘদিনীয়া অভিযোগ আছে।

০০০০০

জুবিন গাৰ্গৰ খাৰঘুলিৰ বাসগৃহতে প্ৰয়াত শিল্পীগৰাকীৰ নামত এটা ন্যাস গঠন কৰা হ'ব বুলি এখন সংবাদমেল যোগে পত্নী গৰিমা গাৰ্গে প্ৰকাশ কৰিছে। গৰিমা গাৰ্গ আৰু জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰে সম্বোধন কৰা সংবাদমেলখনত তেওঁলোকে কয় যে জুবিন গাৰ্গ ন্যাসে সামাজিক আৰু সাংস্কৃতিক দিশত কাম কৰি যাব। ন্যাসটো জুবিন গাৰ্গৰ খুৰাক মনোজ বৰঠাকুৰ, জ্যেষ্ঠ আৰক্ষী বিষয়া পাৰ্থ সাৰথি মহন্ত আৰু জ্যেষ্ঠ সাংবাদিক গৌতম শৰ্মাই পৰিচালনা কৰিব। জুবিন গাৰ্গ ন্যাসৰ অধীনত ৩ টা শাখা থাকিব বুলিও তেওঁলোকে প্ৰকাশ কৰে। ন্যাসৰ অধীনত থকা শাখাকেইটা হ'ল কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেছন, অভিনয়া আৰু জুবিন গাৰ্গৰ সন্দৰ্ভত চলি থকা বিভিন্ন গৱেষণা। একেখন সংবাদমেলতে গৰিমা গাৰ্গে ৰাজ্য চৰকাৰে প্ৰদান কৰা এছ জি এছ টি ধনৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনায়। জুবিন গাৰ্গ ন্যাসৰ বাবে সংবাদ মেলখনতে জুবিন গাৰ্গ ন্যাসৰ বাবে গৰিমা গাৰ্গ আৰু পামী বৰঠাকুৰে সকলোৰে সহায় সহযোগিতা কামনা কৰে।

০০০০০

অসম চৰকাৰে সাংবাদিকৰ বাবে পেঞ্চন আঁচনিৰ অধীনত ২০ গৰাকী অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ সাংবাদিকলৈ সাংবাদিক পেঞ্চন আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। এইসকলৰ ভিতৰত অসমীয়া প্ৰতিদিন কাকতৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ সাংবাদিক মণি মহন্ত, মনোজ অগষ্টি, মনোজ দত্ত, দ্যা ছেণ্টিনেল কাকতৰ অৱসৰপ্ৰাপ্ত সাংবাদিক বিজয় কুমাৰ শৰ্মা, দ্যা আছাম ট্ৰিবিউন কাকতৰ অৱসৰপ্ৰাপ্ত সাংবাদিক অনুপ বিশ্বাস আৰু হাছান আহমেদ, আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত কামৰূপ জিলাৰ অংশকালীন সংবাদদাতা তাপস সামাদ্দাৰ, দৈনিক জনমভূমি কাকতৰ অৱসৰপ্ৰাপ্ত সাংবাদিক জেতবন বৰুৱা আৰু ভাৰত তামুলী, দৈনিক অসম কাকতৰ অৱসৰপ্ৰাপ্ত সাংবাদিক সুমেশ ডেকা আৰু তৰুণ মুক্তিয়াৰ, দৈনিক অগ্ৰদূত কাকতৰ অৱসৰপ্ৰাপ্ত সাংবাদিক ফণীধৰ পাঠকো আছে। এই সাংবাদিকসকলে প্ৰতিমাহে ৮ হাজাৰ টকাকৈ সাংবাদিক পেঞ্চন লাভ কৰিব।

০০০০০

সমাপ্ত